# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-04-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। উচ্চতম ন্যায়ালয়ে আজি ৱক্‌ফ সংশোধনী আইন ২০২৫ৰ সাংবিধানিক বৈধতাক প্ৰত্যাহ্বান জনাই দাখিল কৰা আৱেদনসমূহৰ পুনৰ শুনানি গ্ৰহণ কৰিব।

২। ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক পূৰ্ণ বিকশিত ৰাষ্ট্ৰৰূপে প্ৰতিষ্ঠা কৰাৰ প্ৰতিশ্ৰুতিৰ ক্ষেত্ৰত উদ্যোগ আৰু বাণিজ্য জগতৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দেশ আধুনিক সামুদ্ৰিক বিপ্লৱৰ দিশে অগ্ৰসৰ হৈছে বুলি প্ৰকাশ কৰিছে।

৪। ভাৰতৰ ইন্দৰ সিং ছুৰুচি আৰু সৌৰভ চৌধৰীয়ে পেৰুৰ লিমাত অনুষ্ঠিত ISSF বিশ্বকাপ শ্বুটিং প্ৰতিযোগিতাৰ ১০ মিটাৰ এয়াৰ পিষ্টল শিতানৰ মিক্সড শাখাত সোণৰ পদক অৰ্জন কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা ডেহলি কেপিটেলছে ৰাজস্থান ৰয়েলছক ছুপাৰ অভাৰত পৰাস্ত কৰে।

ooooo

উচ্চতম ন্যায়ালয়ে কালি ৱক্‌ফ সংশোধনী আইন ২০২৫ৰ সাংবিধানিক বৈধতাক প্ৰত্যাহ্বান জনাই দাখিল কৰা আৱেদনসমূহৰ শুনানি গ্ৰহণ কৰি এই সন্দৰ্ভত কোনো অন্তৰ্বৰ্তীকালীন আদেশ দিয়াৰ পৰা বিৰত থাকে। ইয়াৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰে সৰ্বোচ্চ ন্যায়ালয়ে উত্থাপন কৰা তিনিটা গুৰুত্বপূৰ্ণ প্ৰশ্নৰ প্ৰতি সঁহাৰি জনোৱাৰ বাবে অধিক সময় বিচাৰে। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না, ন্যায়াধীশ পি ভি সঞ্জয় কুমাৰ আৰু কে ভি বিশ্বনাথনক লৈ গঠিত এখন তিনিজনীয়া বিচাৰপীঠে এই আৱেদনসমূহৰ শুনানি গ্ৰহণ কৰি আছে। তিনিজনীয়া বিচাৰপীঠখনে আজি দিনৰ ২ বজাত পুনৰ বিষয়টোৰ শুনানি গ্ৰহণ কৰিব। কালি শুনানিৰ সময়ত বিচাৰপীঠখনে কেন্দ্ৰীয় চৰকাৰৰ হৈ ওকালতি কৰা চলিচিটৰ জেনেৰেল তুষাৰ মেহতাক পঞ্জীয়নৰ বাবে আৱশ্যকীয় নথি নথকা ৱক্‌ফ by user সকলক কেনেকৈ প্ৰত্যাখ্যান কৰিব পৰা যায় বুলি প্ৰশ্ন উত্থাপন কৰে।

তিনিজনীয়া বিচাৰপীঠখনে নতুন ৱক্‌ফ আইনক প্ৰত্যাহ্বান জনাই দাখিল কৰা আৱেদন সন্দৰ্ভত অন্তৰ্বৰ্তীকালীন ৰায় দিয়াৰ কথা বিবেচনা কৰে। বিচাৰপীঠখনে তিনিটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰে। ন্যায়ালয়ে কয়, যে আৱেদনসমূহৰ শুনানি চলি থকা লৈকে ৱক্‌ফ হিচাপে ঘোষণা কৰা সম্পত্তিসমূহক তালিকাৰ পৰা বাদ দিয়া উচিত নহ'ব। সংশোধিত আইনৰ অধীনত কোনো সম্পত্তি চৰকাৰী ভূমি হয় নে নহয় সেই বিষয়ে জিলাধিপতিৰ তদন্ত অব্যাহত থকালৈকে ৱক্‌ফ সম্পত্তিক ৱক্‌ফ বুলি গণ্য নকৰাৰ ব্যৱস্থা কাৰ্যকৰী নহ'ব বুলি ন্যায়ালয়ে মন্তব্য

কৰে। সৰ্বোচ্চ ন্যায়ালয়ে লগতে কয়, যে পদেন সদস্যসকলৰ বাহিৰে ৱক্‌ফ পৰিষদ আৰু কেন্দ্ৰীয় ৱক্‌ফ পৰিষদৰ সকলো সদস্য মুছলমান সম্প্ৰদায়ৰ হোৱা উচিত। ন্যায়ালয়ে অৱশেষত শুনানিক আজিও অব্যাহত ৰখাৰ সিদ্ধান্ত লয়। শুনানিৰ সময়ত মুখ্য ন্যায়াধীশ খান্না ৱক্‌ফ সংশোধনী আইনৰ বিৰুদ্ধে পশ্চিমবংগত হোৱা হিংসাক লৈ উদ্বেগ প্ৰকাশ কৰে।

ooooo

২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক পূৰ্ণ বিকশিত ৰাষ্ট্ৰৰূপে প্ৰতিষ্ঠা কৰাৰ প্ৰতিশ্ৰুতিৰ ক্ষেত্ৰত উদ্যোগ আৰু বাণিজ্য জগতৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰকাশ কৰিছে। শ্ৰীবিৰলাই এই ৰাষ্ট্ৰীয় আকাংক্ষা বাস্তৱায়িত কৰাৰ উদ্দেশ্যে উন্নয়নৰ স্থায়ী আৰু সৰ্বাত্মক আৰ্হি আঁকোৱালি ল'বলৈ সকলোৰে প্ৰতি আহ্বান জনায়। পি এইচ ডি বাণিজ্য আৰু উদ্যোগ সংঘৰ ১২০ সংখ্যক বাৰ্ষিকী উপলক্ষে কালি নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত ভাষণ দি শ্ৰীবিৰলাই এইদৰে প্ৰকাশ কৰে। লোকসভাৰ অধ্যক্ষগৰাকীয়ে কয়, যে চৰকাৰৰ উন্নয়নমুখী নীতিসমূহে উদ্যোগ জগতক নতুন শক্তি প্ৰদান কৰিছে। বৰ্তমানৰ যুগ অৰ্থনৈতিক সবলীকৰণ আৰু উদ্ভাৱনৰ যুগ বুলি তেওঁ মন্তব্য কৰে। ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ বিশদ পৰিকল্পনাৰ বিষয়ে উল্লেখ কৰি লোকসভাৰ অধ্যক্ষগৰাকীয়ে কয়, যে বৰ্তমানৰ দেশৰ ব্যৱসায় নীতি আত্মনিৰ্ভৰ ভাৰতৰ দৃষ্টিভংগীৰ সৈতে গভীৰভাৱে সংপৃক্ত হৈ আছে। ইয়াৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতৰ বৰ্ধিত মৰ্যাদাৰ কথা প্ৰতিফলতি হোৱা বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ কয়, যে ঔদ্যোগিক নীতিসমূহৰ সৰলীকৰণ, স্বচ্ছ আৰু বিনিয়োগ অনুকূল কৰ ব্যৱস্থা আৰু একে ঠাইত সকলো ধৰণৰ অনুমোদন প্ৰদানৰ ছিংগল উইণ্ডো ব্যৱস্থা গ্ৰহণ কৰাৰ ফলত দেশত উদ্যমশীলতাৰ ভাৱনা বৃদ্ধি পাইছে। মেক ইন ইণ্ডিয়া, ডিজিটেল ইণ্ডিয়া, গতিশক্তি আৰু বৈদ্যুতিন আহিলাপাতিৰ নিৰ্মান গোটৰ বিকাশৰ দৰে ধবজাবাহী কাৰ্যসূচীসমূহে সমগ্ৰ দেশত ঔদ্যোগিক আৰু বাণিজ্যিক আন্তঃগাঁথনি সুদৃঢ় কৰি তুলিছে।

ooooo

বিধি বলৱৎকাৰী সঞ্চালকালয়ে হাৰিয়ানাত ভূমি ক্ৰয়ৰ সৈতে জড়িত কলা ধন বৈধকৰণৰ গোচৰৰ তদন্তৰ সংক্ৰান্তত আজি একেৰাহে তৃতীয় দিনৰ বাবে ৰবাৰ্ট ভাদ্ৰাক জেৰা কৰিব। শ্ৰীভাদ্ৰাক  নতুন দিল্লীস্থিত বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ কাৰ্যালয়ত জেৰা কৰা হ'ব। গোচৰটো, শ্ৰীভাদ্ৰাৰ কোম্পানীয়ে গুৰুগ্ৰামত ভূমি ক্ৰয় কৰাৰ সৈতে জড়িত।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ ৰাষ্ট্ৰপতি জে ডি ভান্সে ২১ এপ্ৰিলত চাৰিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত কয়, যে উপ ৰাষ্ট্ৰপতি ভান্সৰ এয়া প্ৰথম ভাৰত ভ্ৰমণ হ'ব। এই ভ্ৰমণত তেওঁ অহা সোমবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিব। উপ ৰাষ্ট্ৰপতিগৰাকী আৰু তেওঁ প্ৰতিনিধি দলে দিল্লীত অন্য কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে জয়পুৰ আৰু আগ্ৰাও ভ্ৰমণ কৰিব। এই ভ্ৰমণে দ্বিপাক্ষিক সহযোগিতাৰ অগ্ৰগতি আৰু প্ৰধানমন্ত্ৰী মোদীয়ে যোৱা ১৩ ফেব্ৰুৱাৰীত আমেৰিকা ভ্ৰমণৰ সময়ত জাৰি কৰা ভাৰত-আমেৰিকা যৌথ বিবৃতিৰ ফলাফলসমূহৰ ৰূপায়ণৰ ওপৰত দুয়ো পক্ষকে পৰ্যালোচনাৰ সুযোগ প্ৰদান কৰিব। দুয়োপক্ষই পাৰস্পৰিক স্বাৰ্থজনিত আঞ্চলিক আৰু গোলকীয় বিষয়সমূহৰ সন্দৰ্ভতো আলোচনা কৰিব।

ooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বন্দৰ আৰু পৰিবহণৰ বিভিন্ন মাধ্যমৰ উন্নয়নৰ লগতে মৈত্ৰীৰ লেখীয়া ডিজিটেল মঞ্চৰ সৈতে দেশ আধুনিক সামুদ্ৰিক বিপ্লৱৰ দিশে অগ্ৰসৰ হৈছে বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি ভাৰত-মধ্যপ্ৰাচ্য ইউৰোপ অৰ্থনৈতিক ক'ৰিডৰ সন্মিলনত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰীসোণোৱালে কয়, যে ভাৰত-মধ্যপ্ৰাচ্য ইউৰোপ অৰ্থনৈতিক ক'ৰিডৰ গোলকীয় যোগাযোগ ব্যৱস্থাৰ দিশৰ পৰা যুগান্তকাৰী। তেওঁ কয়, যে এই ক'ৰিডৰে স্থায়ী আৰু নিৰাপদ বাণিজ্য পথৰে ভাৰত-মধ্যপ্ৰাচ্য আৰু ইউৰোপৰ মাজৰ যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰি তুলিছে। চৰকাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মহা-সাগৰ দৃষ্টিভংগীৰ অধীনত আন্তঃগাঁথনি, শক্তি আৰু তথ্যৰ সংহতিকৰণেৰে ভাৰতে গোলকীয় সামুদ্ৰিক শক্তিৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সমৰ্থ হৈছে। উল্লেখযোগ্য যে, নতুন দিল্লীত অনুষ্ঠিত জি-২০ নেতাসকলৰ শীৰ্ষ সন্মিলনৰ সময়ত ভাৰত-মধ্যপ্ৰাচ্য-ইউৰোপ অৰ্থনৈতিক কৰিডৰৰ শুভাৰম্ভ কৰা হৈছে।

ooooo

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে প্ৰকাশ কৰিছে যে ভাৰত এখন বৰ্ধিত বজাৰ আৰু বিশ্বৰ দ্ৰুত বিকাশশীল অৰ্থনীতি। নতুন দিল্লীত কালি ভাৰত-মধ্যপ্ৰাচ্য-ইউৰোপ অৰ্থনৈতিক কৰিডৰ (IMEC) সন্মিলন, মন্ত্ৰীগৰাকীয়ে সম্বোধন কৰি এইদৰে কয়। শ্ৰীগোৱেলে কয়, যে উপযুক্ত দৰ লাভ কৰা দেশসমূহৰ সৈতে ভাৰতৰ বাণিজ্য সম্পৰ্ক কেন্দ্ৰীয় চৰকাৰে সম্প্ৰসাৰণ কৰি আছে। তেওঁ লগতে কয়, যে ন্যায়সংগত আৰু সন্তুলিত মুক্ত বাণিজ্য চুক্তি স্থাপন কৰিব পৰা দেশসমূহৰ সৈতে সম্পৰ্ক সুদৃঢ় কৰাত চৰকাৰে গুৰুত্ব দিছে। মন্ত্ৰীগৰাকীয়ে লগতে প্ৰকাশ কৰে যে ওমানতো বাণিজ্য সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত আলোচনা আৰম্ভ হৈছে।

ooooo

থলুৱাভাৱে বিকশিত ভাৰতৰ প্ৰথম হাইড্ৰজেন ইন্ধনচালিত সাগৰীয় জাহাজক কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে ভূয়ষী প্ৰশংসা কৰিছে। ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ যৌথ প্ৰচেষ্টাত সম্ভৱ হোৱা ইয়াক এক সফল কাহিনী বুলি শ্ৰীসিঙে মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে নতুন দিল্লীত কালি বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণাৰ কেন্দ্ৰ চি এছ্ আই আৰৰ সফলতা আৰু চলিত পদক্ষেপসমূহৰ পৰ্যালোচনা কৰিবলৈ এখন উচ্চ পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰে। এই আলোচনাত মন্ত্ৰীগৰাকীয়ে আত্মনিৰ্ভৰ ভাৰত দৃষ্টিভংগীৰ সৈতে চি এছ্ আই আৰৰ বৈজ্ঞানিক গৱেষণাক সংযুক্ত কৰাত গুৰুত্ব আৰোপ  কৰে। এই ক্ষেত্ৰত তেওঁ থলুৱাভাৱে বিকাশৰ প্ৰাধ্যন্য থকা গুৰুত্বপূৰ্ণ প্ৰযুক্তি ডমেইনসমূহৰ প্ৰসংগ উল্লেখ কৰে।

ooooo

ভাৰতৰ ইন্দৰ সিং ছুৰুচি আৰু সৌৰভ চৌধৰীয়ে পেৰুৰ লিমাত অনুষ্ঠিত ISSF বিশ্বকাপ শ্যুটিং প্ৰতিযোগিতাৰ ১০ মিটাৰ এয়াৰ পিষ্টল শিতানৰ মিক্সড শাখাত সোণৰ পদক অৰ্জন কৰিছে। ভাৰতীয় যুটীটোৱে কালি ফাইনেলত চীনৰ কিয়ানক্সুন য়াও আৰু কাই হু যুটীটোক ১৭-৯ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে অলিম্পিকত পদক বিজেতা মনু ভকৰ আৰু ৰবীন্দ্ৰৰ সিঙৰ যুটীটো ব্ৰঞ্জৰ পদকৰ যুঁজত চীনৰ ক্যুয়ানেক মা আৰু য়িফান ঝাঙৰ হাতত পৰাজিত হয়। মহিলাৰ ফাইনেলত আজি ৰায়জা ধিল্লোনে প্ৰতিদণ্ডিতা আগবঢ়াব। ভাৰতীয় সময় অনুসৰি দুপৰীয়া ডেৰ বজাত খেলখন অনুষ্ঠিত হ'ব।

ooooo

আই পি এল ক্রিকেট প্ৰতিযোগিতাত যোৱানিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন ৰোমাঞ্চকৰ খেলত ডেহলি কেপিটেলছে ৰাজস্থান ৰয়েলছক ছুপাৰ অভাৰত পৰাস্ত কৰে। ডেলহি কেপিটলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি অভিষেক পোৰেলৰ ৪৯ আৰু কে এল ৰাহুলৰ ৩৮ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৮৮ ৰান কৰে। প্ৰত্যুত্তৰত ৰাজস্থানেও নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ১৮৮ ৰান সংগ্ৰহ কৰে। দুয়োটা দলৰ স্ক'ৰ সমান হোৱাত ছুপাৰ অভাৰৰ সহায় ল'বলগীয়া হয়। ছুপাৰ অভাৰত ৰাজস্থান ৰয়েলছে ১১ ৰান কৰে। ডেলহি কেপিটেলছে দুটা বল খেলিবলৈ বাকী থকা অৱস্থাত নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে।

প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্চ হায়দৰাবাদ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

**সমাপ্ত**